# আৰ্হি প্ৰশ্ন কাকত

# অসমীয়া (228)

**মুঠ নম্বৰ: 100** **সময় :3 ঘন্টা**

টোকা :

1/ এই প্ৰশ্নকাকতত দুটা খণ্ড আছে – 'ক' অংশআৰু 'খ' অংশ।

2) প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা 25 টা । সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

3) প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়াহৈছে।

4) বস্তুনিষ্ঠ/বহুবিকল্পপ্ৰশ্ন 'ক'অংশআৰু বিষয়ভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন 'খ'অংশতদিয়া হৈছে। প্ৰশ্নৰ লগতে তেওঁলোকৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

5/ ক'অংশত মুঠ17টাপ্ৰশ্ন আছে। 1নং প্ৰশ্নৰ পৰা 5নং প্ৰশ্নলৈ মুঠ 20টা বহুবিকল্প/ বস্তুনিষ্ঠ (MCQ) প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে। প্ৰশ্ন নং 6ৰ পৰা 17লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

6/ 'খ' অংশতমুঠ8টা প্ৰশ্ন আছে। প্ৰশ্ন নং 18 ৰ পৰা 25 লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

7/দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে ।

| | 'ক-অংশ' | নম্বৰ | মুঠনম্বৰ |
|---|---|---|---|
| প্ৰশ্নসংখ্যা | তলৰ দিয়া প্ৰশ্নবোৰৰ যিকোনা চাৰিটাৰ উত্তৰ লিখক। | 1×4 | 4 |
| 1. | I) জনমভূমি কবিতাটিৰ কবি গৰাকীৰ নাম -<br>ক) দেৱকান্ত বৰুৱা<br>খ) নৱকান্ত বৰুৱা<br>গ) নলিনীবালা দেৱী<br>ঘ) ৰঘুনাথ চৌধাৰী | 1 | |
| | II )তলৰ কোনখন পুথি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা ৰচিত -<br>ক) কীৰ্তনঘোষা<br>খ) নামঘোষা<br>গ) কথা গুৰু চৰিত<br>ঘ) প্ৰহ্লাদ চৰিত | 1 | |
| | III) বৰগীতৰ ভাষা হৈছে -<br>ক) অসমীয়া<br>খ) বঙালী<br>গ) দেৱনাগৰী<br>ঘ) ব্ৰজাৱলী | 1 | |
| | Iv) গোপীনাথ বৰদলৈয়ে মৰণোত্তৰ ভাৱে কি বঁটা লাভ কৰিছিল -<br>ক) পদ্মশ্ৰী<br>খ) পৰমবীৰ চক্ৰ<br>গ) পদ্মবিভূষণ<br>ঘ) ভাৰত ৰত্ন | 1 | |
| | v) অসমৰ ওজাপালি অনুষ্ঠান পাঠটিৰ ৰচক -<br>ক) ড$^{0}$ বাণীকান্ত কাকতি<br>খ) ড$^{0}$ ভবেন্দ্ৰ নাথ শইকীয়া<br>গ) ড$^{0}$ ভৃগুমোহন গোস্বামী<br>ঘ) ড$^{0}$ সূৰ্যকুমাৰ ভূঞা | 1 | |
| | vI) আহোম বংশৰ শেষৰজন স্বাধীন ৰজা আছিল -<br>ক) চন্দ্ৰকান্ত সিংহ<br>খ) পুৰন্দৰ সিংহ<br>গ) গদাধৰ সিংহ<br>ঘ) চক্ৰধ্বজ সিংহ | 1 | |

| | | | |
|---|---|---|---|
| 2 | তলৰ দিয়া প্ৰশ্নবোৰৰ যিকোনা চাৰিটাৰ উত্তৰ লিখক। | 1×4 | 4 |
| | I) নলিনীবালা দেৱীয়ে মৰাৰ পিছতো ঠাই পাব বিচাৰিছে -<br>ক) অসমৰ মাটিত<br>খ) সৰগত<br>গ) মৰতত<br>ঘ) চেনেহৰ শীতল কোলাত | 1 | |
| | II) কবিয়ে ব্যাধক কিহৰ লগত তুলনা কৰিছে -<br>ক) যম বা মৃত্যুৰ লগত<br>খ) সময়ৰ লগত<br>গ) লোভ-মোহৰ লগত<br>ঘ) হৰিণাৰ লগত | 1 | |
| | III) কবিয়ে শেষত কাৰ শৰণ লৈছে -<br>ক) সদাশিৱৰ শৰণ লৈছে<br>খ) যম বা মৃত্যুৰ শৰণ লৈছে<br>গ) গোপালৰ শৰণ লৈছে<br>ঘ) ব্যাধৰ শৰণ লৈছে | 1 | |
| | iv) টিংখং বজাই কি আহ্বান কৰা হয় -<br>ক) সভা<br>খ) দেৱতা<br>গ) ৰণ<br>ঘ) বৰষুণ | 1 | |
| | v) 'বায়খু' শব্দৰ অৰ্থ -<br>ক) নৃত্য-গীত<br>খ) খেল<br>গ) ভোজ মেল<br>ঘ) দেৱতাই দিয়া ৰং-ধেমালি | 1 | |
| | vi) কুশান গান -<br>ক) হাজো অঞ্চলৰ নৃত্য<br>খ) উজনি অসমৰ নৃত্য<br>গ) বৰপেটা অঞ্চলৰ নৃত্য<br>ঘ) গোৱালপাৰা অঞ্চলৰ নৃত্য | 1 | |

| | | | |
|---|---|---|---|
| 3. | তলৰ দিয়া প্ৰশ্নবোৰৰ যিকোনা চাৰিটাৰ উত্তৰ লিখক। | 1×4 | 4 |
| | থালী ঠাই পূৰ কৰক –<br>i) মুদিম_______চকু<br>ক) আকৌ<br>খ) পুনৰ<br>গ) এদিন<br>ঘ) দুনাই | | |
| | থালী ঠাই পূৰ কৰক –<br>ii ) ৰুচিনাথে জানে, ৰাজশক্তি ...... গছকি থৈ গৈছে।<br>ক) আহোমে<br>খ) মোগলে<br>গ) মানে<br>ঘ) ইংৰাজে | 1 | |
| | iii) 'পাশ' শব্দৰ অৰ্থ হৈছে –<br>ক) সময়<br>খ) জৰী<br>গ) ওচৰত<br>ঘ) লাঠী | 1 | |
| | iv ) 'কৈলে' শব্দৰ আধুনিক প্ৰতিশব্দ হৈছে –<br>ক) কৰিলা<br>খ) ক'লা<br>গ) দিলা<br>ঘ) ওপৰৰ এটাও নহয়। | 1 | |
| | v) 'সা– সম্পত্তি' এটা –<br>ক) অনুকাৰ শব্দ<br>খ) অনুৰূপ শব্দ<br>গ) তৎসম শব্দ<br>ঘ) যুৰীয়া শব্দ | 1 | |

| | | | |
|---|---|---|---|
| | vi) 'জেউতিৰ' সমাৰ্থক শব্দ হৈছে–<br>ক) তিমিৰ<br>খ) জ্ঞান<br>গ) পোহৰ<br>ঘ) জোনাক | 1 | 1 |
| 4 | তলৰ দিয়া প্ৰশ্নবোৰৰ যিকোনা চাৰিটাৰ উত্তৰ লিখক। | 1×4 | |
| | i) ইচ্ছাপত্ৰ আইন সিদ্ধ হ'বলৈ হ'লে পঞ্জীভুক্ত কৰিব লাগে –<br>ক) উপায়ুক্তৰ কাৰ্যালয়ত<br>খ) চক্ৰ বিষয়াৰ কাৰ্যালয়ত<br>গ) আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত<br>ঘ) পঞ্জীয়কৰ কাৰ্যালয়ত | 1 | 1 |
| | ii) অসমৰ গ্ৰাম্য কৃষিমূখী সংস্কৃতিৰ ভেঁটী স্থাপন কৰে -<br>ক) আৰ্যসকলে<br>খ) নিষাদসকলে<br>গ) কিৰাটসকলে<br>ঘ) দ্ৰাবিড়সকলে | 1 | 1 |
| | iii) হাতৰ খাৰু চাৰিপাত বেচি ঘুনুচাই –<br>ক) এশ টকা পাইছিল<br>খ) এটকা পাইছিল<br>গ) আধলি এটা পাইছিল<br>ঘ) সিকি এটা পাইছিল | 1 | 1 |
| | iv )বড়োসকলৰ লোকনৃত্য হ'ল –<br>ক) ঝুমুৰ<br>খ) লেৰাটানা<br>গ) বাগুৰুম্বা<br>ঘ) ৰাংগালা | 1 | 1 |

| | | | |
|---|---|---|---|
| | v) অসমীয়া সংস্কৃতিৰ তাঁতশাল –<br>ক) আৰ্যসকলৰ অৱদান<br>খ) অষ্ট্ৰিকসকলৰ অৱদান<br>গ) দ্ৰাবিড়সকলৰ অৱদান<br>ঘ) মঙ্গোলীয়সকলৰ অৱদান | 1 | 1 |
| | vi) লুকু ডেকাফুকন আছিল –<br>ক) লুখুৰাসনৰ ল'ৰা<br>খ) গায়নৰ ল'ৰা<br>গ) ৰাজবংশৰ ল'ৰা<br>ঘ) পাইকৰ ল'ৰা | 1 | 1 |
| 5. | তলৰ দিয়া প্ৰশ্নবোৰৰ যিকোনা চাৰিটাৰ উত্তৰ লিখক। | 1×4 | 4 |
| | i) 'কাঠনিবাৰীৰ ঘাট' পুথিখনৰ লিখক হৈছে –<br>ক) মহিম বৰা<br>খ) লক্ষ্মীনাথ বেজবৰুৱা<br>গ) চৈয়দ আব্দুল মালিক<br>ঘ) যোগেশ দাস | 1 | |
| | ii) গোপীনাথ বৰদলৈৰ পিতৃৰ নাম –<br>ক) বুদ্ধেশ্বৰ বৰদলৈ<br>খ) ইন্দ্ৰেশ্বৰ বৰদলৈ<br>গ) খৰ্গেশ্বৰ বৰদলৈ<br>ঘ) দেৱেশ্বৰ বৰদলৈ | 1 | |
| | iii) ওজাপালিৰ দলপতিজনক –<br>ক) ওজা বোলে<br>খ) পালি বোলে<br>গ) দাইনাপালি বোলে<br>ঘ) পাঠক বোলে | 1 | |
| | iv)ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ সংস্থা গঠন হয় –<br>ক) ১৯৫৮ চনত<br>খ) ১৯৪৭ চনত<br>গ) ১৯৫১ চনত<br>ঘ) ১৯৬৮ চনত | 1 | |

<table>
<tr><td></td><td>v) সম্ৰাট অশোকে কি ধৰ্ম গ্ৰহণ কৰিছিল –<br>ক) হিন্দু ধৰ্ম<br>খ) জৈন ধৰ্ম<br>গ) বৌদ্ধ ধৰ্ম<br>ঘ) শিখ ধৰ্ম</td><td>1</td><td></td></tr>
<tr><td></td><td>vi) গোৱৰ্দ্ধন কলিতাৰ ৰুপিত মাটিৰ পৰিমান –<br>ক) ছয় বিঘা<br>খ) তিনি বিঘা<br>গ) ন বিঘা<br>ঘ) আঠ বিঘা</td><td>1</td><td></td></tr>
<tr><td>6.</td><td>তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ খালী ঠাই পূৰণ কৰক।</td><td>2×2</td><td>4</td></tr>
<tr><td></td><td>i) লোভ মোহ দুহোঁ ..... সততে নছাড়ে লাগ<br>ৰাখু ৰাখু ...............।<br><br>ii) বিদেশীৰ চকু থিৰ, ............ ওখ শিৰ, দেওঁলগা............দেশ<br><br>iii) মোৰ .........আঁহে আঁহে, মোৰ যৌৱনৰ কোঁহে কোঁহে সেই ............. কলৰোল</td><td></td><td></td></tr>
<tr><td>7.</td><td>তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখক।<br><br>
<table>
<tr><th>'ক' অংশ (প্ৰাচীন শব্দ)</th><th>'খ' অংশ (আধুনিক অৰ্থ)</th></tr>
<tr><td>i দুহো</td><td>i তোমাৰ</td></tr>
<tr><td>ii যুগুতি</td><td>ii সুৰুঙা</td></tr>
<tr><td>iii সন্ধি</td><td>iii যুক্তি</td></tr>
<tr><td>iv তুৱা</td><td>iv দুয়ো</td></tr>
</table>
<br>অথবা<br><br>
<table>
<tr><th>'ক' অংশ</th><th>'খ' অংশ</th></tr>
<tr><td>i অইনিতম</td><td>i হিন্দু বিয়াৰ অংগ</td></tr>
<tr><td>ii বুসু</td><td>ii বড়োসকলৰবিহু</td></tr>
<tr><td>iii বৈশাখু</td><td>iii মিচিংসকলৰ গীত</td></tr>
<tr><td>iv সুৱাগুৰি তোলা</td><td>iv ডিমাচাসকলৰ বাসন্তী উৎসৱ</td></tr>
</table></td><td></td><td>4</td></tr>
</table>

| | | | |
|---|---|---|---|
| 8 | তলৰ অনুচ্ছেদটো ভালদৰে পঢ়ক আৰু নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখক।<br><br>পৃথিৱীত সৰ্বপ্ৰথম বাতৰি কাকতৰ উদ্ভাৱন হৈছিল চীন দেশত, কাকত আৰু ছপাকল আৱিষ্কাৰৰ বাবে প্ৰথম গৌৰৱৰ অধিকাৰী চীন দেশ; আৰু বাতৰি-কাকতৰ উদ্ভাৱনৰ গৌৰৱৰ অধিকাৰীও চীন দেশেই। ইউৰোপত ইটালীৰ ভেনিচ নগৰত প্ৰথম বাতৰি-কাকতৰ উদ্ভাবন হয়; সেই বাতৰি কাকতৰ নাম আছিল 'গেজেটা'। ইয়াৰপৰাই 'গেজেট' শব্দৰ উৎপত্তি হৈছে। ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ দিনত বাতৰি-কাকত প্ৰকাশিত হয়। ভাৰতত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰপৰাই বাতৰি কাকতৰ প্ৰচলন হৈছিল। ভাৰতৰ প্ৰথম বাতৰি কাকতখনৰ নাম আছিল 'ইণ্ডিয়া গেজেট'-1744 চন। ইয়াৰ পাছৰপৰাই ইংৰাজী আৰু দেশীয় বিভিন্ন ভাষাত বাতৰি-কাকত প্ৰকাশিত হ'বলৈ আৰম্ভ কৰে।<br><br>i. সৰ্বপ্ৰথম বাতৰি-কাকতৰ উদ্ভাৱন হৈছিল......<br>ক) ভেনিচ নগৰত<br>খ) চীন দেশত<br>গ) ভাৰতবৰ্ষত<br>ঘ ) ইংলেণ্ডত<br><br>ii. ভেনিচ নগৰত প্ৰথম উদ্ভাৱন হোৱা বাতৰি কাকতখনৰ নাম আছিল............(খালী ঠাই পূৰণ কৰক ।)<br><br>iii. ভাৰতবৰ্ষৰ প্ৰথম বাতৰি-কাকতখনৰ নাম আছিল ........... ( খালী ঠাই পূৰণ কৰক )<br><br>iv. ইণ্ডিয়া গেজেট প্ৰকাশিত হৈছিল-<br><br>ক) 1742 চনত<br>খ) 1743 চনত<br>গ) 1744 চনত<br>ঘ ) 1745 চনত | 1×4 | 4 |
| 9 | ভাৰতবৰ্ষৰ কোন অঞ্চলত অসম দেশ অৱস্থিত?<br>অথবা<br><br>মানৱ জাতিয়ে জীৱিকা নিৰ্বাহৰ বাবে কি উপায় অৱলম্বন কৰিছিল ? | 1 | 1 |
| 10 | লতা-কটা ৰণ পাঠটো কোনখন বুৰঞ্জীৰ পৰা চয়ন কৰা হৈছে?<br>অথবা<br>মণিপুৰৰ ৰজাজনৰ নাম কি আছিল ? | 1 | 1 |
| 11 | ধৰ্মকান্তক দেখি দোলনৰ কাৰ কথা মনত পৰিছিল?<br>অথবা<br>জন্তুৰ চিকিৎসাৰ বাবে চাৰ্ভিছ ষ্টেচন ক'ত অৱস্থিত? | 1 | 1 |

| | | | |
|---|---|---|---|
| 12 | ভাৰতত সংবিধান স্বীকৃত ভাষা কেইটা আছে ?<br>অথবা<br>আৰ্যসকল কোন পিনেদি ভাৰতত প্ৰৱেশ কৰে? | 1 | 1 |
| 13. | 'ক' অংশৰ যিকোনো চাৰিটা পাঠৰ লগত 'খ' অংশৰ লিখকৰ নাম মিলাই লিখক<br><br>\| 'ক' অংশ \| 'খ' অংশ \|<br>\| i প্ৰতিশোধ \| i ভৃগুমোহন গোস্বামী \|<br>\| ii বতৰটোফৰকাল \| ii মহিম বৰা \|<br>\| iii বৰবৰুৱাৰ গাত চ'তৰ বিহু \| iii নকুলচন্দ্ৰ ভূঞা \|<br>\| iv পৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া \| iv লক্ষ্মীনাথ বেজবৰুৱা \|<br>\| v অসমৰ ওজাপালি অনুষ্ঠান \| v চৈয়দ আব্দুল মালিক \|<br>\| vi লুকু ডেকাফুকনৰ দেশভক্তি \| vi ৰাণী দেৱান বৰুৱা \| | 1×4 | 4 |
| 14 | তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক ।<br>i .বিপদাপন্ন শব্দৰ সন্ধি ভাঙিলে হব ..........<br>ii. উৎ+লাস সন্ধি কৰিলে হব...........<br>iii. হিমালয় শব্দৰ সন্ধি ভাঙিলে হব........<br>iv .বন + অঞ্চল সন্ধি কৰিলে হব ........ | 1×3 | 3 |
| 15 | তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক<br>i .ৰণুৱা শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ......<br>ii. স্বদেশী শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ......<br>iii. ভাগৰুৱা শব্দৰ প্ৰত্যয় বিন্যাস হৈছে.....<br>iv. পশ্চিমীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে..... | 1×3 | 3 |

| | | | |
|---|---|---|---|
| 16 | তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক<br>i .বসুমতীৰ সমাৰ্থক শব্দ হৈছে.........<br>ii . সূৰ্যৰ সমাৰ্থক শব্দ হৈছে.......<br>iii. বিদেশীৰ বিপৰীত শব্দ হৈছে ........<br>iv. ইচ্ছাৰ বিপৰীত শব্দ হৈছে ...... | 2 | 2 |
| 17 | তলৰ যিকোনো দুটা বাক্য এটা শব্দত প্ৰকাশ কৰক<br>i. **বন কৰা লোক যি .........**<br>**ii** .কুহুমৰ দৰে বোল যাৰ .........<br>iii. কাম কাজ কৰিব নোখোজা লোক ....... | 2 | 2 |
| | 'খ-অংশ'<br>(বিষয়নিষ্ঠ প্ৰশ্ন) | | |
| 18 | তলত দিয়া যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ 20-25 টা শব্দৰ ভিতৰত লিখক। | 2x3 | 6 |
| | i. লতা-কটাৰণখনকলতাকটাবোলাৰকাৰণ কি ?<br>ii. নৰেশ্বৰৰ ধনৰ ভৰণি কি কাৰণে হ'ল ?<br>iii. অসমৰ সংস্কৃতিক যৌগিক সংস্কৃতি বোলাৰ কাৰণ কি ?<br>iv. বৰগীত কাক বোলে ? | | |
| 19 | তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ 30-40 টা শব্দৰ ভিতৰত লিখক।<br>i . সুকুমাৰ কলাই সংহতি সাধনত কেনেধৰণে সহায় কৰে?<br>ii . কি ঘটনাই এগনিছক মানৱ সেৱাৰ প্ৰতি অনুৰাগী কৰি তোলে ?<br>iii. স্বৰ্গদেৱে ফুকনক দোষী সাব্যস্ত কৰাৰ পিছত দোষমুক্ত হ'বলৈ তেওঁ আগবঢ়োৱা যুক্তি সমূহ দাঙি ধৰা। | 3x2 | 6 |

| | | | |
|---|---|---|---|
| 20 | তলত দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য্ বৰ্ণনা কৰক | 5 | 5 |
| | ক) আবেলি আহিলে ধীৰে<br>আন্ধাৰৰ আৱৰণে জগতৰ জেউতি কমায়,<br>বিষাদ কালিমা নামি জীৱন বীণত হেৰা,<br>সন্ধিয়াত পূৰবীৰ ৰাগিনী বজায়,<br>অতীতৰ স্মৃতি সোঁৱৰায়।<br><br>অথবা<br><br>খ) এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ<br><br>যাৰ বুকুৰ উমে মোক দিছে ভালপোৱাৰ আনন্দ,<br><br>যৌৱনৰ প্ৰাচুৰ্য, জীৱনৰ নতুন অৰ্থ। | | |
| 21 | প্ৰসংগ-সংগতি দৰ্শাই যিকোনো দুচোৱা ব্যাখ্যা কৰক<br>ক) ক'লে কিজানি নপতিয়াবা, কিন্তু<br>কওঁ যে বৰবৰুৱাৰ গা আজি<br>সাতখন আঠখন।<br>খ) ঢোলত চাপৰ মাৰে, ডবাত একোব পৰে,<br>ভোৰতালে থাওঁ থাওঁ কৰে , মূৰত মথুৰা পাগ,<br>বিষয়াটি বাঢ়ে আগ, ৰণুৱাই ৰণছালি ধৰে,<br>গড়গাওঁ টলমল্ কৰে।<br><br>গ) ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা বিভিন্ন ধৰ্ম আৰু জনগোষ্ঠীৰ লোকে মিলিজুলি বসবাস কৰি অহা বৰ লুইতৰ দেশ অসম ভূমি বাৰে ৰহণীয়া সংস্কৃতিৰ পলসুৱা কঠিয়াতলী।<br><br>ঘ ) পখী হৈ আকাশৰ বুকুত ফুৰিম উৰি<br>বাঁহ লম ওখ বিৰিখত,পুৱতিৰ লগে লগে<br>জগাম তোমাক নিতে বনৰীয়া সুৱদী গীতত। | 4 x2 | 8 |

| | | | |
|---|---|---|---|
| 22 | ভাৱ সম্প্ৰসাৰণ কৰক (যিকোনো দুচোৰা)<br>ক) পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ ঘাই উপায়।<br>খ) কৰা কৰা পূজা পাদ্য–অৰ্ঘ্য লৈ<br>জয় জয় মানৱ দেৱ।<br>গ) শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ | 4 x2 | 8 |
| 23 | তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 100ৰ পৰা 150শব্দৰ ভিতৰত লিখক<br>i. অসমৰ সংস্কৃতি কেনে বিচিত্ৰ আৰু সেই বৈচিত্ৰৰ মাজতো যে একত্বৰ ভাৱ প্ৰৱাহিত হৈ থাকে, তাৰ এটি আভাষ দিয়ক।<br>অথবা<br>ii. মুখ্যমন্ত্ৰী হৈ থকা কালত গোপীনাথ বৰদলৈয়ে শিক্ষাৰ ক্ষেত্ৰত কি কি কাম কৰিছিল লিখক। | | 4 |
| 24 | তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 150 ৰ পৰা 200 শব্দৰ ভিতৰত লিখক<br>i. প্ৰকৃতিৰ ভাৰসাম্য কেনেদৰে ৰক্ষা কৰিব পাৰি?<br>অথবা<br>ii. প্ৰদুষণ কি? ই কেইপ্ৰকাৰৰ ?? প্ৰদুষণ ৰোধ কৰাৰ বাবে কি কি উপায়সমূহ অৱলম্বন কৰিব পৰা যায়। | 1+2+2 | 5 |
| 25 | তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক।<br>ক) অসমৰ বানপানী<br>খ) ছাত্ৰ কৰ্তব্য<br>গ) তোমাৰ প্ৰিয় সাহিত্যিক | 8 | 8 |

**MARKING SCHEME**

**MODEL QUESTION PAPER**

**Assamese**

**(228)**

| Q. No. | ASSAMESE<br>EXPECTED VALUE POINTS FOR EACH STEP | Distribution of Marks | Total Marks |
|---|---|---|---|
| 1 | **যিকোনো চাৰিটা**<br>i. গ) নলিনীবালা দেৱী<br>ii) ক) কীৰ্তন ঘোষা<br>iii ) ঘ) ব্ৰজাৱলী<br>iv) ঙ) ভাৰত ৰত্ন<br>v) গ) ড০ ভৃগুমোহন গোস্বামী<br>vi ক) চন্দ্ৰকান্ত সিংহ | 1X4 | 4 |
| 2 | **যিকোনো চাৰিটা**<br>i ) ঘ) চেনেহৰ শীতল কোলাত<br>ii ) ক) যম বা মৃত্যুৰ লগত<br>iii ) ক) সদাশিৱৰ শৰণ লৈছে<br>iv ) গ) ৰণ<br>v) ঘ) দেৱতাই দিয়া ৰং ধেমালি<br>vi ) ঘ) গোৱালপাৰা অঞ্চলৰ নৃত্য | 1X4 | 4 |
| 3. | **যিকোনো চাৰিটা**<br>i) ক) আকৌ<br>ii ) খ) মানে<br>iii) খ) জৰী<br>iv ) ক) কৰিলা<br>v) ঘ) যুৰীয়া শব্দ<br>vi ) গ) পোহৰ | 1X4 | 4 |
| 4 | **যিকোনো চাৰিটা**<br>i) ঘ) পঞ্জীয়কৰ কাৰ্যালয়ত<br>ii) খ) নিষাদসকলে<br>iii) ঘ) সিকি এটা পাইছিল<br>iv) গ) বাগুৰুম্বা<br>v) খ) অষ্ট্ৰিকসকলৰ অৱদান<br>vi) ক) লুখুৰাসনৰ ল'ৰা | 1X4 | 4 |

<table>
<tr><td>5</td><td>যিকোনো চাৰিটা<br>i) ক) মহিম বৰা<br>ii) খ) বুদ্ধেশ্বৰ বৰদলৈ<br>iii) ক) ওজা বোলে<br>iv) ক) ১৯৫৮ চনত<br>v) গ) বৌদ্ধ ধৰ্ম<br>vi ) খ) তিনি বিঘা</td><td>1X4</td><td>4</td></tr>
<tr><td>6</td><td>যিকোনো দুটা<br>i) লোভ মোহ দুহোঁ বাঘ.... সততে নছাড়ে লাগ<br>ৰাখু ৰাখু ... সদাশিৱ...।<br>ii) বিদেশীৰ চকু থিৰ, .. স্বদেশীৰ...ওখ শিৰ,<br>দেওঁলগা..মানুহৰ...দেশ<br>iii) মোৰ জীৱনৰ.......আঁহে আঁহে, মোৰ যৌৱনৰ কোঁহে কোঁহে সেই .....সপোনৰ.... কলৰোল</td><td>2×2</td><td>4</td></tr>
<tr><td>7</td><td><table>
<tr><td>'ক' অংশ (প্ৰাচীন শব্দ)</td><td>'খ' অংশ (আধুনিক অৰ্থ)</td></tr>
<tr><td>i দুহো</td><td>ivদুয়ো</td></tr>
<tr><td>iiযুগুতি</td><td>iiiযুক্তি</td></tr>
<tr><td>iiiসন্ধি</td><td>iiসুৰুঙা</td></tr>
<tr><td>vতুৰা</td><td>iতোমাৰ</td></tr>
</table>
অথবা
<table>
<tr><td>'ক' অংশ</td><td>'খ' অংশ</td></tr>
<tr><td>iঅইনিতম</td><td>iiiমিচিংসকলৰ গীত</td></tr>
<tr><td>ii বুসু</td><td>ivডিমাচাসকলৰ বাসন্তী উৎসৱ</td></tr>
<tr><td>iii বৈশাখু</td><td>Iiবড়োসকলৰ বিহু</td></tr>
<tr><td>ivসুৱাগুৰি তোলা</td><td>iহিন্দু বিয়াৰ অংগ</td></tr>
</table></td><td>1X4</td><td>4</td></tr>
<tr><td>8</td><td>i. সৰ্বপ্ৰথম বাতৰি–কাকতৰ উদ্ভাৱন হৈছিলচীন দেশত<br>ii. ভেনিচ নগৰত প্ৰথম উদ্ভাৱন হোৱা বাতৰি কাকতখনৰ নাম আছিলগেজেটা<br>iii. ভাৰতবৰ্ষৰ প্ৰথম বাতৰি–কাকতখনৰ নাম আছিলইণ্ডিয়া গেজেট'-১৭৪৪ চন<br>iv. ইণ্ডিয়া গেজেট প্ৰকাশিত হৈছিল–1744 চনত</td><td>1X4</td><td>4</td></tr>
</table>

<table>
<tr><td>9</td><td>যিকোনো এটা<br>i ) উত্তৰ পূব অঞ্চলত।<br>ii ) চিকাৰ কৰিছিল।</td><td>1</td><td>1</td></tr>
<tr><td>10</td><td>যিকোনো এটা<br>i. তুংখুঙীয়া বুৰঞ্জী<br>ii. জয়সিংহ</td><td>1</td><td>1</td></tr>
<tr><td>11</td><td>যিকোনো এটা<br>i. মৃত দেউতাকলৈ মনত পৰিছিল<br>ii. ফ্ৰান্সত অৱস্থিত</td><td>1</td><td>1</td></tr>
<tr><td>12</td><td>i. ১৮ টা<br>ii. উত্তৰ পশ্চিম দিশেদি</td><td>1</td><td></td></tr>
<tr><td>13</td><td><table>
<tr><td>'ক' অংশ</td><td>'খ' অংশ</td></tr>
<tr><td>iপ্ৰতিশোধ</td><td>iiমহিম বৰা</td></tr>
<tr><td>iiবতৰটোফৰকাল</td><td>vচৈয়দ আব্দুল মালিক</td></tr>
<tr><td>iiiবৰবৰুৱাৰ গাত চ’তৰ বিহু</td><td>ivলক্ষ্মীনাথ বেজবৰুৱা</td></tr>
<tr><td>ivপৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া</td><td>viৰাণী দেৱান বৰুৱা</td></tr>
<tr><td>vঅসমৰ ওজাপালি অনুষ্ঠান</td><td>iভৃগুমোহন গোস্বামী</td></tr>
<tr><td>viলুকু ডেকাফুকনৰ দেশভক্তি</td><td>iiiনকুলচন্দ্ৰ ভূঞা</td></tr>
</table></td><td>1X4</td><td>4</td></tr>
<tr><td>14</td><td>যিকোনো তিনিটা<br><br>i.বিপদ+আপন্ন<br>ii.উল্লাস<br>iii.হিম+ আলয়<br>iv.বনাঞ্চল</td><td>1X3</td><td>3</td></tr>
<tr><td>15</td><td>যিকোনো তিনিটা<br>i.ৰণ+উৱা<br>ii.স্বদেশ+ঈ<br>iii.ভাগৰ+ উৱা<br>iv.পশ্চিম + ঈয়া</td><td>1X3</td><td>3</td></tr>
</table>

| | | | |
|---|---|---|---|
| 16 | **যিকোনো দুটা**<br>i.পৃথিৱী/ধৰণী/জগত/ ধৰা<br>ii.আদিত্য/বেলি/ ভানু/ৰবি/ ভাস্কৰ/ তপন/ দিনমণি<br>iii.স্বদেশী<br>iv.অনিচ্ছা | 1X2 | 2 |
| 17 | **যিকোনো দুটা**<br>i.বনুৱা<br>ii.কুহুমবুলীয়া<br>iii.এলেহুৱা বা অকৰ্মণ্য | 1X2 | 2 |
| 18 | i. আহোম সেনাপতি হৰনাথ ফুকণৰ সেনাই ৰজা জয়সিংহক মণিপুৰত সংস্থাপন কৰিবলৈ যাওঁতে বাট ভুল কৰি এমাহ সময় বাটৰ হাবি লতা কাটিয়ো বাটৰ সন্ধান পোৱা নাছিল। ইপিনে নগায়ো কাটিছিল। উপায় নাপাই ফুকণে স্বৰ্গদেউলৈ বতৰা পঠিয়াইছিল। ইয়াকে লতা-কটা ৰণ বোলে।<br>ii. নৰেশ্বৰে এদিন ছেগ বুজি ধৰ্মকান্ত টাউনলৈ যোৱাৰ দিন এটাত আম গছজোপা কটাই পেলালে আৰু দুডোখৰমান ঘৰলৈও লৈ গ'ল। ধৰ্মকান্তই সাক্ষী-বাদী লৈ মোকৰ্দমাথিয় কৰালে।বহুত ধন-ভৰণি হোৱাৰ পিছত নৰেশ্বৰেই দোষী প্ৰমাণিত হ'ল।<br><br>iii.ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা বিভিন্ন ধৰ্ম আৰু জনগোষ্ঠীৰ লোকে মিলিজুলি বসবাস কৰি অহা বৰ লুইতৰ দেশ অসম ভূমি বাবে বহণীয়া সংস্কৃতিৰ পলসুবা কঠিয়াতলী। নিজস্ব সত্তাসম্পন্ন বিভিন্ন গোষ্ঠীৰ বাবে বৰণীয়া সাংস্কৃতিক উপাদান গোটখাই আত্মপ্ৰকাশ কৰা যৌগিক সংস্কৃতিৰ শতদলেই অসমীয়া সংস্কৃতি<br><br>iv.মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীতথিনিক বৰগীত বোলে। এই গীত, গীতৰ ভিতৰত 'বৰ' অৰ্থাৎ শ্ৰেষ্ঠ, সেই অৰ্থত বৰগীত। বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। বিষয় বস্তুৰ ফালৰ পৰা প্ৰায়থিনি বৰগীতেই শ্ৰীকৃষ্ণৰ ওপৰত আধাৰিত। | 3X2 | 6 |

| | | | | |
|---|---|---|---|---|
| 19 | i. | সংগীত, চিত্ৰকলা স্থাপত্য ভাস্কৰ্য আদিবোৰে অতীজৰে পৰা ভাৰতবাসীক একতা আৰু সংহতিৰ বান্ধোনেৰে বান্ধি ৰাখিছে। দাক্ষিণাত্যৰ কৰ্ণাটকী সংগীতৰ সুৰ তালৰ লগত হিন্দুস্থানী সংগীতৰ যেনেদৰে মিল আছে, ঠিক তেনেকৈ কৰ্ণাটকৰ বেলুৰ-হালেবিদ আৰু ওড়িশাৰ কোনাৰকৰ সূৰ্য মন্দিৰৰ স্থাপত্যৰ ক্ষেত্ৰতো এক ঐক্য পৰিলক্ষিত হয়। ভাৰতীয় স্থাপত্যৰ প্ৰাসাদ আৰু মঠ মন্দিৰৰ বেৰত খোদিত দেৱ-দেৱীৰ মূৰ্তিৰ লগত মোগলৰপ্ৰিয় ফুল , গছ লতিকা, জীৱ-জন্তুৰ মূৰ্তি খোদাই কৰা পদ্ধতি ভাৰতীয় ভাস্কৰ্য মিশ্ৰণৰ অন্য এক নমুনা। ভাৰতীয় সংস্কৃতি এক সমন্বয়ৰ বস্তু। নিজ নিজ সংস্কৃতিৰ সৈতে নানা সময়ত নানা জাতি উপজাতি আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰিছে। অথচ সময়ৰ সোঁতত সকলোৰে নিজা বৈশিষ্ট্যৰ পৰিবৰ্তন সাধন হৈছে। গ্ৰহণ আৰু বৰ্জনৰ মাজেৰে পৰস্পৰে পৰস্পৰৰ লগত মিলি গৈছে। এনেদৰে বিভিন্ন জাতি উপজাতিৰ সংস্কৃতি আৰু সুকুমাৰ কলাৰ সংহতি সাধনেৰে বিশাল ভাৰতীয় সংস্কৃতিৰ নিৰ্মাণ হৈছে। | 3X2 | 6 |
| | ii. | এখন চিকিৎসালয়ৰ সন্মুখত পৰি থকা মৃতপ্ৰায় মহিলা এগৰাকীৰ বিনাচিকিৎসাত হোৱা মৃত্যুৰ ঘটনাই এগনেছক মানব সেৱাৰ প্ৰতি অনুৰাগী কৰি তুলিছিল। | | |
| | iii. | প্ৰথমতে, যোৱাৰ পথ ফুকণে চিনি নাপায়। মণিপুৰীয়া ৰজাই পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিবলৈ সমৰ্থ নহ'ল।<br>দ্বিতীয়তে , প্ৰকৃতিৰ পথ অনুকূল নাছিল। বহুতো লোক জ্বৰ আৰু তেজ গ্ৰহণী হৈ মৃত্যুমুখত পৰিছিল।<br>তৃতীয়তে , খাবলৈ নাপায়ো কিছু লোক মৰিছিল। নগাই বাট ভেটি ধৰাত যোগনিয়াৰে খাদ্য লৈ যাব নোৱাৰিলে।<br>চতুৰ্থতে , এমাহ কাল ফুকনে সৈন্যসহিতে বাটৰ লতা বন কাটি বাট মোকলাবলৈ চেষ্টা কৰিছিল যদিও পথৰ সন্ধান উলিয়াব নোৱাৰিলে।<br>পঞ্চমতে, যদি বাট দেখুৱাই দিয়া লোকজন গ'লহেতেন আৰু স্বৰ্গদেউৰ আদেশ অমান্য কৰি ফুকন নহলহেঁতেন তেতিয়াহে ফুকন দোষৰ ভাগী হ'লহেতেন। | | |

| | | | |
|---|---|---|---|
| 20 | ক . কবি- যতীন্দ্রনাথ দুৱৰা<br>কবিতা - জীৱন-জেউতি<br>খ . কবি- হীৰেন ভট্টাচাৰ্য<br>কবিতা- মোৰ দেশ<br>কাব্যাংশৰ আলোচনাৰ মাজেদি কাব্যিক সৌন্দৰ্য্য পৰিস্ফুট হব লাগিব | 5 | 5 |
| 21 | বাখ্যা কৰিব দিয়া গদ্যশাৰী/ কবিতাফাঁকি য'ৰ পৰা উদ্ধৃত কৰা হৈছে তাৰ শিৰোনাম, লেখক বা কবিৰ নাম প্ৰসংগ সংগতিত উল্লেখ কৰাৰ উপৰিও কি প্ৰসংগত গদ্যশাৰী বা কবিতাফাঁকি উপস্থাপন কৰা হৈছে তাক উনুকিয়াব লাগিব আৰু লগতে বাক্যশাৰীৰ অন্তৰ্নিহিত অৰ্থ উল্লেখ কৰাৰ উপৰিও তাক বাখ্যা কৰিব লাগিব। | 4X2 | 8 |
| 22 | ভাৱ সম্প্ৰসাৰণ কৰিবলৈ দিয়া বাক্যশাৰীৰ অন্তৰ্নিহিত অৰ্থ বহলাই আলোচনাকৰিব লাগিব আৰু ইয়াৰ অন্তৰালত নিহিত হৈ থকা উদ্দেশ্যৰ ইংগিত দিব লাগিব। | 4X2 | 8 |
| 23 | i .নানা জাতি জনজাতিৰে সংগঠিত অসমৰ বাৰে ৰহণীয়া সংস্কৃতিত বৈচিত্ৰৰ মাজতো কেনেদৰে একতাৰ ভাৱ বিৰাজ কৰে তাক উল্লেখ কৰিব লাগিব।<br><br>ii. গোপীনাথ বৰদলৈয়ে মুখ্যমন্ত্ৰী হৈ থকা কালচোৱাত অসমৰ শিক্ষা ক্ষেত্ৰত উন্নয়নৰ বাবে কি কি কাম হাতত লৈছিল তাক উল্লেখ কৰিব কৰিব। | | 4 |
| 24 | i. প্ৰকৃতিৰ ভাৰসাম্য কেনেদৰে ৰক্ষা কৰিব পৰি তাৰ উপায়সমূহ আলোচনা কৰিব লাগিব।<br>ii. প্ৰদুষণৰ অৰ্থ ,ইয়াৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰাৰ লগতে প্ৰদুষণ ৰোধ কৰাৰ উপায় উল্লেখ কৰিব লাগিব। | | 5 |
| 25 | বানপানী – আৰম্ভণি , বানপানীৰ কাৰণ , প্ৰতিকাৰ , সামৰণি<br>ছাত্ৰৰ কৰ্তব্য - আৰম্ভণি, নিজৰ পৰিয়ালৰ প্ৰতি কৰ্তব্য, বিদ্যালয়ৰ প্ৰতি কৰ্তব্য, সমাজৰ প্ৰতি কৰ্তব্য, ৰাষ্ট্ৰৰ প্ৰতি কৰ্তব্য, সামৰণি।<br>প্ৰিয় সাহিত্যিক: নাম আৰু পৰিচয়, সংক্ষিপ্ত জীৱনী<br>সাহিত্য কৰ্ম<br>ভাল লগাৰ কাৰণ<br>সামৰণি | | 8 |